নং ঃ ৩৪/২০২১

**জোনাইত অনুষ্ঠিত টাকাম মিচিং পৰিন কেবাঙৰ সোণালী জয়ন্তী সমাৰোহত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ**

# বৃহত্তৰ অসমীয়া সমাজৰ উন্নয়নত মিচিং জনগোষ্ঠীয়ে বিশিষ্ট বৰঙনি যোগাই আহিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৭ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ধেমাজি জিলাৰ জোনাই উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজিত টাকাম মিচিং পৰিন কেবাঙ (টিএমপিকে) ৰ সোণালী জয়ন্তী উদ্‌যাপনৰ শুভাৰম্ভণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। উল্লেখ্য যে টাকাম মিচিং পৰিন কেবাং হ'ল মিচিং জনগোষ্ঠীৰ এক শক্তিশালী ছাত্ৰ সংগঠন। এই সংগঠনটো ১৯৭১ চনত প্ৰতিষ্ঠা হৈছিল।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে মিচিং সকল হ'ল ৰাজ্যখনৰ এক সাংস্কৃতিক তথা বৌদ্ধিকভাৱে সবল জনগোষ্ঠী। এই জনগোষ্ঠীৰ টাকাম মিচিং পৰিন কেবাঙে ইয়াৰ জন্মলগ্নৰে পৰা জনগোষ্ঠীটোক শৈক্ষিক তথা অন্যান্য দিশেৰে আগুৱাই নিয়াৰ দিশত বিশেষ ভূমিকা পালন কৰি আহিছে। সেয়েহে বিগত ৫০ বছৰ ধৰি এই সংগঠনটোৱে মিচিং জনসাধাৰণৰ পৰা যথেষ্ট মৰম আৰু সন্মান লাভ কৰিবলৈ সক্ষম হৈছে। সংগঠনটোৱে ভৱিষ্যতেও মিচিং জনগোষ্ঠীৰ নৱ প্ৰজন্মক দক্ষতা আৰু জ্ঞান আহৰণৰ দিশত উদ্বুদ্ধ কৰি জনগোষ্ঠীটোৰ সৰ্বাংগীন বিকাশৰ দিশত পদক্ষেপ লৈ যাব লাগিব বুলি তেওঁ কয়।

মিচিং জনগোষ্ঠীৰ লোকসকলে বান আৰু গৰাখহনীয়াৰ দৰে প্ৰত্যাহ্বান নেওচি সকলো দিশতে সফল হ'বলৈ সক্ষম হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে লাইকা দধিয়াৰ ভূমিহীন জনসাধাৰণক অতিশীঘ্ৰে সংস্থাপিত কৰা হ'ব। ইয়াৰ বাবে ৰাজ্যৰ বনমন্ত্ৰীগৰাকীৰ নেতৃত্বত ৰাজ্য চৰকাৰে এখন বিশেষজ্ঞ কমিটী ইতিমধ্যে গঠন কৰি দিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মিচিংজনগোষ্ঠীক বৃহত্তৰ অসমীয়া জাতিৰ এক শক্তিশালী আৰু অবিচ্ছেদ্য অংগ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই জনগোষ্ঠীৰ তৰুণ চন্দ্ৰ পামেগাম, ইন্দিৰা মিৰি, ড° টাবুৰাম টাইড, যাদৱ পায়েং আৰু বহু সংখ্যক ব্যক্তিয়ে ৰাজ্যখনৰ সামগ্ৰিক উত্তৰণৰ দিশত বলিষ্ঠ ভূমিকা পালন কৰি আহিছে।

জোনাইত নিজৰ শৈশৱৰ স্মৃতি স্মৰণ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে মিচিং সকল হ'ল অত্যন্ত হৃদয়বান, নম্ৰ আৰু উচ্চ চিন্তাধাৰাৰ জনগোষ্ঠী। মিচিংজনগোষ্ঠীক সাংবিধানিক সুৰক্ষা দিয়াৰ বাবে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে সকলো ধৰণৰ পদক্ষেপ লৈ যাব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে টাকাম মিচিং পৰিন কেবাঙক জনগোষ্ঠীটোৰ যুৱ শক্তিক শৈক্ষিক দিশেৰে আগুৱাই নিয়াৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা লোৱাৰ বাবে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে শিক্ষাৰ লগতে সাংস্কৃতিক আৰু ক্ৰীড়াৰ দিশতো যুৱ চামক উদ্বুদ্ধ কৰাৰ পদক্ষেপ ল'বলৈ আহ্বান জনায়। এই ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে শিক্ষাগুৰু আৰু অভিভাৱকসকলক ছাত্ৰ-ছাত্ৰীক সকলো

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

দিশতে উৎকৰ্ষতা প্ৰদৰ্শন কৰাৰ বাবে উদ্বুদ্ধ কৰিবলৈও আহ্বান জনায়। ২০১৬ বৰ্ষত বৰ্তমানৰ ৰাজ্য চৰকাৰখনে ৰাজ্যখনৰ সকলো থলুৱা জাতি-জনগোষ্ঠীৰ অকুণ্ঠ সমৰ্থনেৰে ক্ষমতাত অধিস্থিত হৈছিল বুলি উল্লেখ কৰি বৰ্তমানৰ চৰকাৰখনে সেই সময়ৰ পৰা ৰাজ্যখনৰ সকলো জাতি-জনগোষ্ঠীৰ মাজত বৰ্তি থকা সমন্বয়ৰ বান্ধোন শক্তিশালী কৰি শান্তিপূৰ্ণ বাতাবৰণ ৰক্ষা কৰাৰ দিশত অগ্ৰসৰ হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। শান্তিপূৰ্ণ বাতাবৰণ অক্ষুণ্ণ ৰখাৰ বাবে ৰাজ্যখনে বিগত চাৰে চাৰি বছৰত বহু বিনিয়োগ আৰু অৰ্থনৈতিক অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হৈছে বুলিও তেওঁ কয়।

বিগত চৰকাৰৰ কাৰ্যকালত লখিমপুৰ আৰু ধেমাজিকে ধৰি ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰৰ উন্নয়নে বিশেষ গতি লাভ কৰিব পৰা নাছিল বুলি উল্লেখ কৰি এই চৰকাৰৰ কাৰ্যকালত উত্তৰপাৰৰ উন্নয়নে যথেষ্ট অগ্ৰগতি লাভ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। বিগত সময়ছোৱাত বৰ্তমানৰ ৰাজ্য চৰকাৰখনে উত্তৰপাৰত বিভিন্ন উচ্চশিক্ষাৰ প্ৰতিষ্ঠান আৰু কাৰিকৰী প্ৰতিষ্ঠান গঢ় দিয়াৰ জৰিয়তে সমগ্ৰ উত্তৰপাৰৰ শৈক্ষিক আন্তঃগাঁথনি শক্তিশালী কৰাৰ পদক্ষেপ লৈছে বুলিও তেওঁ কয়। বগীবিল দলঙে জোনাইৰ লগতে সমগ্ৰ ধেমাজি-লখিমপুৰ জিলাৰ যোগাযোগ খণ্ডলৈ বিশেষ সম্ভাৱনীয়তা কঢ়িয়াই আনিছে বুলি তেওঁ কয়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে জোনাইৰ বিধায়ক ভূবন পেগু, ধেমাজিৰ বিধায়ক ডাঃ ৰণোজ পেগু, মিচিং স্বায়ত্ত শাসিত পৰিষদৰ অধ্যক্ষ পৰমানন্দ চায়েংগিয়াক মিচিং বসতিপ্ৰধান এলেকাৰ ক্ষিপ্ৰ উন্নয়ন সাধনৰ বাবে লোৱা পদক্ষেপৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

আজিৰ এই অনুষ্ঠানত লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা, আৰুণাচল পূবৰ সাংসদ তাপিৰ গাও, বিধায়কসকল ক্ৰমে ভূবন পেগু, ডাঃ ৰণোজ পেগু, বলিন চেতিয়া, অৰুণাচল প্ৰদেশৰ কেইবাগৰাকী বিধায়ক, মিচিং স্বায়ত্ত শাসিত পৰিষদৰ অধ্যক্ষ পৰমানন্দ চায়েংগিয়া, টাকাম মিচিং পৰিন কেবাঙৰ সভাপতি ৰাজকুমাৰ মৰাং, অল আছাম ট্ৰাইবেল সংঘৰ সভাপতি আদিত্য খাকলাৰী, আবছুৰ সভাপতি দিপেন বড়ো, গোৰ্খা, সোণোৱাল কছাৰী, ডিমাচা, কাৰ্বি ছাত্ৰ সন্থাৰ কেইবাগৰাকী প্ৰতিনিধি উপস্থিত থাকে।

**স্বাক্ষৰ / বঃভাঃ**
**১৭/০১/২০২১**